# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-01-2025
**Time :** 2125 Hrs

## *Assamese Night Bulletin*

- - - - - - - - - - - - - - -

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মন কী বাত অনুষ্ঠানৰ ১১৮ সংখ্যক খণ্ডটিত দেশবাসীক সম্বোধন কৰি মহাকাশ খণ্ডত দেশৰ শেহতীয়া সাফল্যৰ প্ৰশংসা কৰে। বাংগালুৰুত থকা ভাৰতীয় মহাকাশ প্ৰযুক্তি ষ্টাৰ্ট আপ পিকচেলৰ প্ৰসংগ উত্থাপন কৰি শ্ৰীমোদীয়ে দেশৰ প্ৰথমটো ব্যক্তিগত উপগ্ৰহ নক্ষত্ৰ ফায়াৰফ্লাইৰ সফল উৎক্ষেপনৰ কথা উল্লেখ কৰে।

শ্ৰীমোদীয়ে আজি মন কী বাত অনুষ্ঠানত হাতী মানুহৰ সংঘাত দূৰ কৰিবলৈ অসমৰ নগাঁও জিলাৰ হাতীবন্ধু নামৰ সংগঠনটোৱে গ্ৰহণ কৰা পদক্ষেপক ভূয়সী প্ৰশংসা কৰে। অনুষ্ঠানত মানুহ আৰু বন্যপ্ৰাণীৰ সহাৱস্থানৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে ভাৰতীয় সংস্কৃতি আৰু ঐতিহ্যই আমাৰ চৌপাশৰ জন্তু আৰু চৰাইৰ সৈতে মৰম আৰু সহনশীলতাৰে বসবাস কৰিবলৈ শিকাইছে। তেওঁ হাতী আৰু মানুহৰ সংঘাতৰ কথা উল্লেখ কৰি সংগঠনটোৱে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ সন্দৰ্ভত অৱগত কৰে। গাঁওবাসীয়ে ৮০০ বিঘা অনুৰ্বৰ ভূমিত নেপিয়াৰ ঘাঁহ খেতি কৰি হাতীক খাদ্যৰ যোগান ধৰি আহিছে, যাৰ ফলত বৃহত্তৰ অঞ্চলটোৰ কৃষিপথাৰত হাতীৰ উপদ্ৰৱ তুলনামূলকভাৱে হ্ৰাস পাইছে। ইয়াৰ লগতে হাতী-মানুহৰ সংঘাতো কিছু পৰিমাণে নিৰ্মূল কৰাত সহায়ক হৈছে। উল্লেখযোগ্য যে গুৱাহাটীৰ প্ৰদীপ ভূঞা, বিনোদ দুলু বৰা আৰু মেঘনা ময়ূৰ হাজৰিকা নামৰ কেইগৰাকীমান প্ৰকৃতিপ্ৰেমীয়ে হাতীবন্ধুৰ হৈ এই পদক্ষেপ গ্ৰহণ কৰিছিল। হাতী মানুহৰ সংঘাতক লৈ কৃপাল কলিতাৰ দ্বাৰা পৰিচালিত হাতীবন্ধু শীৰ্ষক তথ্যচিত্ৰখনেও বহুল সমাদৰ লাভ কৰিছে। মন কী বাতত প্ৰধানমন্ত্ৰীয়ে হাতীবন্ধুৰ এই প্ৰচেষ্টাৰ কথা উল্লেখ কৰাৰ পাছত বিনোদ দুলু বৰাই প্ৰধানমন্ত্ৰীক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

ooooo

কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সঞ্চালকপ্ৰধান হিচাপে দায়িত্ব গ্ৰহণৰ পূৰ্বে জি পি সিঙে অসমবাসীক ধন্যবাদ জ্ঞাপন কৰে। শিৱসাগৰৰ আৰক্ষী অতিথিশালাত অনুষ্ঠিত বিদায় সম্বৰ্ধনা অনুষ্ঠানত অংশগ্ৰহণ কৰি শ্ৰীসিঙে কয়, যে অসমৰ জনসাধাৰণ যথেষ্ট মৰমীয়াল। অসমত কাম কৰা সুন্দৰ অভিজ্ঞতাৰে তেওঁ নতুন দায়িত্ব নিয়াৰিকৈ পালন কৰি যাব বুলি আশা প্ৰকাশ কৰে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, কেন্দ্ৰীয় চৰকাৰে জি পি সিঙক কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সঞ্চালকপ্ৰধান হিচাপে নিযুক্তি দিছে। এই সন্দৰ্ভত আজি প্ৰতিক্ৰিয়া প্ৰকাশ কৰি শ্ৰীসিঙে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে এনে এক গুৰু দায়িত্ব অৰ্পণ কৰাটো তেওঁৰ বাবে গৌৰৱৰ বিষয় বুলি উল্লেখ কৰে।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশৰ পাছতেই অসম আৰক্ষীয়ে ৰাজ্যত চলি থকা ৰেট হ'ল মাইনিং অৰ্থাৎ এন্দুৰৰ গাঁত সদৃশ কয়লা খনিৰ খনন বন্ধ কৰিবলৈ তৎপৰতা গ্ৰহণ কৰিছে। অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি পি সিঙে কয় যে ৭ দিনৰ ভিতৰত ৰেট হ'ল মাইনিং বন্ধ কৰা হ'ব।

ooooo

ধেমাজিৰ মাছখোৱাত আজি অনুষ্ঠিত অনাতাঁৰ মৰম আকলুৱা পৰিয়ালৰ চতুৰ্থ বাৰ্ষিক অধিবেশনত আকাশবাণী গুৱাহাটী কেন্দ্ৰক অনুপ্ৰেৰণা বঁটা ২০২৫ আগবঢ়োৱা হয়। এই অনুষ্ঠানতে আকাশবাণীৰ নিয়মীয়া শ্ৰোতা তথা পত্ৰলেখক বঁটা দেৰগাঁৰৰ মণ্টু বৰুৱা, লখিমপুৰৰ শান্তিৰাণী নাথ বৰুৱা আৰু ধেমাজিৰ দেবদত্তলৈ আগবঢ়োৱা হয়। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ ঘোষিকা

বন্দনা হাজৰিকা আৰু যোৰহাট কেন্দ্ৰৰ ঘোষিকা পূৰবী সভাপণ্ডিত ভট্টাচাৰ্যই শ্ৰেষ্ঠ ঘোষিকা বঁটা ২০২৫ লাভ কৰে। নগাঁৱৰ প্ৰাঞ্জল শইকীয়াই সংবাদ বন্ধু বঁটা ২০২৫ আৰু আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ বৰষা কোঁৱৰে অনুষ্ঠান প্ৰযোজকৰ বঁটা লাভ কৰে। এই বঁটাসমূহ অনাতাঁৰ মৰম আকলুৱা পৰিয়ালৰ তৰফৰ পৰা আগবঢ়োৱা হয়।

০০০০০

শিৱসাগৰ জিলাৰ দিচাংমুখৰ শাক-পাচলিয়ে বিদেশৰ বজাৰত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। বিগত কেইবাদশক ধৰি দিখৌ, ব্ৰহ্মপুত্ৰ আৰু দৰিকাৰ চৰ-চাপৰিসমূহত থলুৱা কৃষকসকলে সীমিত সুবিধাৰে বিভিন্ন ধৰণৰ ৰবি শস্যৰ উৎপাদন কৰি আহিছে। চাপৰিসমূহত উৎপাদন কৰা শাক-পাচলিয়ে শেহতীয়াকৈ বিদেশৰ বজাৰত সমাদৰ লাভ কৰাত কৃষকসকল উৎফুল্লিত হৈ পৰে। দিচাংমুখৰ কৃষক পোহাৰাম পাংগিঙে ২০০ বিঘা মাটিত উৎপাদিত অন্যান্য শাক-পাচলিৰ লগতে ৰঙালাউ আৰু কাজি নেমু দেশৰ কেইবাখনো ৰাজ্যৰ লগতে ডুবাইলৈ ৰপ্তানি কৰে। খেতিয়কগৰাকীয়ে বিগত বৰ্ষৰ ডিচেম্বৰ মাহত ২৫ মেট্ৰিক টন পাচলি ডুবাইলৈ প্ৰেৰণ কৰিছিল।

০০০০০

দিল্লীৰ ইন্দিৰা গান্ধী ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত খো-খো বিশ্বকাপৰ ফাইনেলত ভাৰতৰ পুৰুষ আৰু মহিলা উভয় দলে চূড়ান্ত বিজয়ীৰ খিতাপ দখল কৰিছে। ভাৰতীয় মহিলা দলটোৱে চূড়ান্ত খেলখনত নেপালৰ দলটোক ৭৮-৪০ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰে। ভাৰতৰ পুৰুষৰ দলটোৱে চূড়ান্ত খেলত নেপালক ৫৪-৩৬ পইণ্টত পৰাস্ত কৰি বিজয়ীৰ খিতাপ দখল কৰিছে।

০০০০০

ভাৰতীয় তেল নিগমৰ বঙাইগাঁও শোধনাগাৰৰ ৫৩ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি শোধনাগাৰৰ কাৰ্যবাহী সঞ্চালকে চিৰাঙৰ জিলা আয়ুক্তক জিলাখনৰ স্বাস্থ্য সেৱাৰ বাবে ১৩খন এম্বুলেন্স প্ৰদান কৰে। চিৰাঙৰ ঢালিগাঁওস্থিত বঙাইগাঁও ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত হোৱা এটা অনুষ্ঠানত এই এম্বুলেন্স কেইখন অৰ্পণ কৰা হয়।

০০০০০

নতুন দিল্লীত অনুষ্ঠিত ইণ্ডিয়া অ'পেন বেডমিণ্টনৰ ডেনমাৰ্কৰ ভিক্টৰ এক্সেলছেনে পুৰুষৰ ছিংগলছৰ খিতাপ দখল কৰে। চূড়ান্ত খেলখনত তেওঁ হংকঙৰ চি ইউ লীক ২১-১৬, ২১-৮ গেমত পৰাস্ত কৰে। মহিলাৰ ছিংগলছত দক্ষিণ কোৰিয়াৰ এন চে ইয়ঙে থাইলেণ্ডৰ পি শ্বোশুৱঙক ২১-১২, ২১-৯ গেমত পৰাস্ত কৰি খিতাপ দখল কৰে। মহিলাৰ ডাবলছত জাপানৰ যুটী এৰিছা ইগাৰাছি আৰু এয়াকো ছকুৰামটোৰ যুটীটোৱে চূড়ান্ত বিজয়ীৰ সন্মান লাভ কৰে।

০০০০০

সমাপ্ত